**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-08-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অপাৰেচন সিন্দূৰ আৰু মহাদেৱে ভাৰতীয় নাগৰিকৰ জীৱনৰ লগত খেলা কৰা সন্ত্ৰাসৰ পৰিকল্পনাকাৰীসকললৈ এটা স্পষ্ট বাৰ্তা প্ৰেৰণ কৰা বুলি মন্তব্য কৰিছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ভাৰতে কাৰো ভূমি নিবিচাৰে, কিন্তু নিজৰ ভূমি ৰক্ষাৰ বাবে যিকোনো পৰিসৰলৈ যাবলৈ সাজু বুলি মন্তব্য কৰিছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৱিত্ৰ গণেশ চতুৰ্থী উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৪। জম্মু আৰু কাশ্মীৰৰ কাট্‌ৰাৰ মাতা বৈষ্ণু দেৱী মন্দিৰলৈ যোৱা পথত প্ৰবল বৰষুণৰ ফলত কালি হোৱা ভূমিস্খলনত কমেও ৩০ গৰাকী লোকৰ মৃত্যু হৈছে।

আৰু

৫। ইউ এছ্ অ'পেন টেনিছ প্ৰতিযোগিতাৰ তৃতীয় দিনা মহিলাৰ একক শাখাৰ প্ৰথম ৰাউণ্ডত আমেৰিকা যুক্তৰাষ্ট্ৰৰ পূৰ্বৰ চেম্পিয়ন ক'ক' গ'ফে আজলা টমজানভিকক পৰাস্ত কৰে।

ooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে অপাৰেচন সিন্দূৰ আৰু মহাদেৱে ভাৰতীয় নাগৰিকৰ জীৱনৰ লগত খেলা কৰা সন্ত্ৰাসৰ পৰিকল্পনাকাৰীসকললৈ এটা স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিছে। শ্ৰী শ্বাহে আজি পেহেলগাম আক্ৰমণত জড়িত সন্ত্ৰাসবাদীসকলক অপাৰেচন মহাদেৱৰ জৰিয়তে প্ৰতিহত কৰা দেশৰ সেনা বাহিনী, জম্মু-কাশ্মীৰৰ আৰক্ষী আৰু চি আৰ পি এফৰ বীৰ-বিষয়া-জোৱানসকলক সাক্ষাৎ কৰাৰ লগতে সন্মান প্ৰদান কৰে। অনুষ্ঠানত ভাষণ প্ৰসংগত তেওঁ কয়, যে অপাৰেচন সিন্দূৰে জনসাধাৰণৰ মনলৈ সন্তুষ্টি আনিছে। কিন্তু অপাৰেচন মহাদেৱে সকলোৰে মনলৈ আস্থা ঘূৰাই আনি সন্তুষ্টি প্ৰদান কৰিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে পেহেলগামৰ বৰ্বৰ আক্ৰমণৰ সবিশেষ ভাৰতৰ ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা - এন আই এৰ ফৰেণচিক বিজ্ঞান গৱেষণাগাৰে প্ৰযুক্তিগতভাৱে পোহৰলৈ আনিছে। শ্ৰী শ্বাহে কয়, যে ভাৰতৰ নিৰাপত্তা বাহিনীসমূহে সন্ত্ৰাসবাদীৰ যিকোনোধৰণৰ কূটাঘাত প্ৰতিহত কৰিবলৈ সমৰ্থ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হৈ গৃহমন্ত্ৰীগৰাকীয়ে সমগ্ৰ দেশৰ নিৰাপত্তা বাহিনীসমূহক দেশৰ সুৰক্ষাৰ ক্ষেত্ৰত দায়বদ্ধতাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছে।

ooooooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি কয়, যে ভাৰতে কাৰো ভূমি নিবিচাৰে, কিন্তু নিজৰ ভূমি ৰক্ষাৰ বাবে যিকোনো পৰিসৰলৈ যাবলৈ সাজু। তেওঁ কয়, যে সুৰক্ষা বাহিনী সমূহে ভূ-ৰাজনৈতিক পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি হ্ৰস্বকালীন সংঘাতৰ লগতে দীঘলীয়া যুদ্ধলৈকে সকলোধৰণৰ নিৰাপত্তাজনিত প্ৰত্যাহ্বানৰ বাবে সাজু থাকিব লাগিব। মধ্য প্ৰদেশৰ আৰ্মি ৱাৰ কলেজ মহৌত অনুষ্ঠিত যৌথ আলোচনা কাৰ্যসূচী ৰণ সংবাদৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁ কয়, যে আজিৰ যুগত যুদ্ধ ইমানেই অভাৱনীয় আৰু হঠাতে সংঘটিত হয়, যে এই যুদ্ধ কেতিয়া শেষ হ'ব বা কিমান দিনলৈ চলিব, সেইটো অনুমান কৰা কঠিন হৈ পৰিছে। তেওঁ কয়, যে বিশ্বই আজি আমাক কেৱল শক্তিৰ বাবেই নহয়, বৰং সত্য, শান্তি আৰু ন্যায়ৰ প্ৰতি আমাৰ সমৰ্পণৰ মনোভাৱৰ বাবে সন্মান কৰে। ভাৰতৰ সন্মুখত থকা প্ৰত্যাহ্বানসমূহ ডাঙৰ কিন্তু আমাৰ সংকল্প আৰু সাহস তাতোকৈ ডাঙৰ বুলি তেওঁ মন্তব্য কৰে।

ooooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৱিত্ৰ গণেশ চতুৰ্থী উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতিয়ে কয়, যে এই উৎসৱত প্ৰজ্ঞা আৰু বিচক্ষণতাৰ দেৱতা গণেশৰ জন্মবাৰ্ষিকী অতি আনন্দ আৰু ভক্তিৰে পালন কৰা হয়। বাধা-বিঘিনি নাশক ভগৱান গণেশে ৰাষ্ট্ৰৰ প্ৰগতিৰ পথ প্ৰদৰ্শন কৰি যাব বুলি তেওঁ আশা প্ৰকাশ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে শক্তিশালী আৰু আত্মনিৰ্ভৰশীল ৰাষ্ট্ৰ গঢ়ি তোলাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈও ৰাইজলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভক্তি আৰু বিশ্বাসেৰে ভৰা এই পৱিত্ৰ উৎসৱে সকলোলৈ মংগল কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। ভগৱান গণেশে তেওঁৰ সকলো ভক্তক সুখ, শান্তি আৰু সুস্বাস্থ্যৰ আশীৰ্বাদেৰে পুষ্ট কৰিব বুলি তেওঁ প্ৰাৰ্থনা কৰে।

উল্লেখযোগ্য যে মহাৰাষ্ট্ৰত আজি সাংস্কৃতিক বৈচিত্ৰ্যৰ প্ৰতীক হিচাপে গণ্য কৰা গণেশোৎসৱৰ পালন উলহ-মালহেৰে আৰম্ভ হৈছে। অহা অনন্ত চতুৰ্দশী পৰ্যন্ত ১১টা দিন এই উদযাপন চলি থাকিব।

০০০০০০০

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই সুৰক্ষা পৰিষদৰ সংস্কাৰৰ বাৰ্তালাপ ১৭ বাৰৰ বাবে পিছুৱাই দিছে। পৰৱৰ্তী অধিৱেশনত এই সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। ভাৰত, ব্ৰাজিল, জাৰ্মানী আৰু জাপান – এই চাৰিখন জি ফ'ৰ সাধাৰণ সভাৰ এই সিদ্ধান্তৰ বাবে সমালোচনা কৰি এয়া ৰাষ্ট্ৰসংঘৰ প্ৰতি গোলকীয় আস্থা হ্ৰাস পাব বুলি মন্তব্য কৰিছে। এই জি ফ'ৰ ৰাষ্ট্ৰই সুৰক্ষা পৰিষদত স্থায়ী আৰু অস্থায়ী আসন বৃদ্ধিৰ পোষকতা কৰিছে। জি ফ'ৰ ৰাষ্ট্ৰৰ হৈ এই বিষয়টো সন্দৰ্ভত জাপানে কৈছে যে সাধাৰণ সভাই ৰাষ্ট্ৰসংঘৰ প্ৰতি থকা আস্থা ধৰি ৰখাত বিফল হৈছে। উল্লেখযোগ্য যে ভাৰতকে ধৰি জি ফ'ৰৰ আন ৰাষ্ট্ৰকেইখনে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত আসনৰ সংখ্যা বৃদ্ধিৰ পোষকতা কৰি আহিছে।

০০০০০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই পৰহিলৈ ভুৱনেশ্বৰত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কল্যাণৰ বাবে থকা সংসদ আৰু ৰাজ্যৰ বিধানসভাসমূহৰ কমিটিসমূহৰ অধ্যক্ষসকলৰ দুদিনীয়া ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব। অধ্যক্ষগৰাকীয়ে এখন প্ৰদৰ্শনী মুকলি কৰাৰ লগতে এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰিব বুলি লোকসভাৰ সচিবালয়ে এটা বিবৃতিৰ জৰিয়তে প্ৰকাশ কৰিছে। এই সন্মিলনৰ বিষয়বস্তু হৈছে– অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কল্যাণ, উন্নয়ন আৰু সৱলীকৰণত সংসদ আৰু ৰাজ্যৰ বিধানসভাসমূহৰ কমিটিৰ ভূমিকা। সন্মিলনত ১২০ গৰাকীতকৈও অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। সন্মিলনত অনুসূচীত জাতি-জনজাতিৰ লোকসকলৰ সাংবিধানিক সুৰক্ষা শক্তিশালী কৰা, তেওঁলোকৰ আৰ্থঃসামাজিক উন্নয়ন আৰু সৱলীকৰণৰ বাবে শ্ৰেষ্ঠ পদ্ধতিসমূহৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হ'ব। সন্মিলনত ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি আৰু ৰাজ্যখনৰ বিধানসভাৰ অধ্যক্ষ সুৰমা পাধিয়েও অংশ লোৱাৰ কথা আছে।

০০০০০০০

জম্মু আৰু কাশ্মীৰৰ কাট্‌ৰাৰ মাতা বৈষ্ণু দেৱী মন্দিৰলৈ যোৱা পথত প্ৰৱল বৰষুণৰ ফলত কালি হোৱা ভূমিস্খলনত কমেও ৩০ গৰাকী লোকৰ মৃত্যু হৈছে। এই ঘটনাৰ বাতৰি পোৱাৰ লগে লগে চি আৰ পি এফৰ ষষ্ঠ বেটেলিয়নৰ জোৱানৰ এটা দলে উদ্ধাৰকাৰ্য আৰম্ভ কৰে। আহত লোকসকলক কাট্‌ৰাৰ সামুহিক স্বাস্থ্য কেন্দ্ৰলৈ প্ৰেৰণ কৰা হৈছে। দলটোৱে তীৰ্থযাত্ৰীসকলক চিকিৎসা সাহায্য আৰু খাদ্য যোগান ধৰাৰ লগতে আন প্ৰয়োজনীয় সকলোধৰণৰ সাহায্য প্ৰদান কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰা মতে জম্মুৰ টাৱি নৈৰ জলপৃষ্ঠ বিপদসীমাৰ ওপৰেদি বৈ থকাৰ লগতে চেনাব নৈৰ জলপৃষ্ঠ বিপদসীমাৰ ওচৰেৰে বৈ আছে। মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়া অনুসৰি এছ ডি আৰ এফ, এন ডি আৰ এফ, অৰ্ধ সামৰিক বাহিনী, সেনা বাহিনী আৰু বায়ু সেনা বাহিনীক যিকোনো পৰিস্থিতিৰ সন্মুখীন হ'ব পৰাকৈ সাজু কৰি ৰখা হৈছে। যোৱা নিশাৰে পৰা ক্ষতিগ্ৰস্ত অঞ্চলসমূহত ব্যাহত হোৱা বিদ্যুৎ, পানী আৰু ম'বাইল সেৱা পুনৰ প্ৰৱৰ্তন কৰাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষসমূহে প্ৰয়াস অব্যাহত ৰাখিছে। ইতিমধ্যে বিদ্যালয় আৰু মহাবিদ্যালয়সমূহ বন্ধ ৰখাৰ বাবে নিৰ্দেশ দিয়া হৈছে আৰু সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি জনসাধাৰণক বিশেষ প্ৰয়োজন নহ'লে ঘৰৰ বাহিৰ নোলাবলৈ আহ্বান জনোৱা হৈছে। জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ

সিন্‌হাই আহত লোকসকলক প্ৰয়োজনীয় চিকিৎসা সাহায্য প্ৰদান কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিছে। এই ঘটনাত নিহত লোকসকলৰ পৰিয়ালবৰ্গলৈ তেওঁ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও পৰিস্থিতি সন্দৰ্ভত জম্মু-কাশ্মীৰ প্ৰশাসনৰ সৈতে সঘন যোগাযোগ ৰক্ষা কৰি আছে। প্ৰধানমন্ত্ৰী মোদীয়ে এই ঘটনাত নিহত লোকৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। তেওঁ এই ঘটনাত হতাহত হোৱা সকলো লোককে প্ৰশাসনে সহায়-সহযোগিতা আগবঢ়াই আছে বুলি প্ৰকাশ কৰাৰ লগতে আহতসকলৰ আশু-আৰোগ্য কামনা কৰিছে।

০০০০০০০০০

জম্মু অঞ্চলত হৈ থকা নেৰানেপেৰা বৰষুণৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰ ৰে'লৰেই কাটৰা, উধমপুৰ আৰু জম্মু ৰে'লৰে ষ্টেচনলৈ যাবলগীয়া আৰু ষ্টেচনকেইটাৰ পৰা আহিবলগীয়া ১৮ খন ৰে'লৰ যাত্ৰা বাতিল কৰিছে। ৰে'ল মন্ত্ৰালয়ৰ বিষয়াই প্ৰকাশ কৰা অনুসৰি চাৰিখন ৰে'লৰ যাত্ৰা চমু কৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি বাতিল কৰা ৰে'লগাড়ীসমূহৰ ভিতৰত ৭ খনে কাটৰা, দুখনে উধমপুৰ আৰু এখনে জম্মুৰ পৰা যাত্ৰা কৰাৰ কথা আছিল। মন্ত্ৰালয়ে কাটৰা আৰু উধমপুৰলৈ বুলি যাবলগীয়া কেইবাখনো ৰে'ল বাতিল কৰা বুলিও প্ৰকাশ কৰিছে। অৱশ্যে কাটৰা-শ্ৰীনগৰ অংশত ৰে'লযাত্ৰা পূৰ্বৰ দৰে চলি আছে। বিগত সোমবাৰৰ নিশাৰ পৰা অঞ্চলটোত হৈ থকা ধাৰাষাৰ বৰষুণে কেইবাখনো দলং ক্ষতিগ্ৰস্ত কৰাৰ প্ৰতি লক্ষ্য ৰাখি জনসাধাৰণৰ নিৰাপত্তাৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বৰষুণৰ বাবে টাৱি, চেনাব, নেৰু, কালনাই আদিৰ দৰে প্ৰধান নৈসমূহৰ জলস্তৰ বৃদ্ধি পাইছে। প্ৰতিকুল বতৰৰ বাবে সীমান্ত সুৰক্ষা বাহিনীয়ে জম্মুৰ পালৌৰা কেম্পত কনিষ্টবলৰ নিযুক্তিৰ বাবে হ'বলগীয়া পৰীক্ষাও বাতিল কৰিছে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰালয়ে ৬৩ লাখৰো অধিক প্ৰবীণ সৈনিক আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল লোকৰ বাবে পেঞ্চন, স্বাস্থ্য সেৱা, পুনৰ সংস্থাপন আৰু কল্যাণমূলক সেৱা প্ৰদান কাৰ্য শক্তিশালী কৰাৰ বাবে নতুন দিল্লীত ভাৰতীয় মানক পৰিষদৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। মন্ত্ৰালয়ে কয়, যে এই বুজাবুজি চুক্তিৰ অধীনত পৰিষদে ডিজিটেল প্ৰমাণ ভিত্তিক নীতি মূল্যায়ন, প্ৰভাৱিত মূল্যায়ন আৰু প্ৰমাণ আধাৰিত নীতিৰ পৰামৰ্শৰ ক্ষেত্ৰত প্ৰাক্তন সৈনিক কল্যাণ বিভাগক সহায় কৰিব। মন্ত্ৰালয়ে লগতে কয়, যে প্ৰাক্তন সৈনিক কল্যাণ বিভাগে ৰাজ্য চৰকাৰ, জিলা সৈনিক পৰিষদ, সশস্ত্ৰ বাহিনীৰ মুখ্য কাৰ্যালয় তথা তালিকাভুক্ত হাস্পতালসমূহৰ সৈতে অংশীদাৰসকলক সমন্বয়ৰ সুবিধা প্ৰদান কৰিব। এই পদক্ষেপে স্বাস্থ্যসেৱা প্ৰদান কাৰ্য শক্তিশালী কৰাৰ লগতে পুনৰ সংস্থাপন আৰু উদ্যোগীকৰণৰ সুযোগ সম্প্ৰসাৰণ কৰাৰ লগতে জিলা তথা ৰাজ্যিক সৈনিক পৰিষদৰ পৰিকাঠামো শক্তিশালী কৰিব।

০০০০০০০০০

ইউ এছ অ'পেন টেনিছ প্ৰতিযোগিতাৰ আজি তৃতীয় দিনা মহিলাৰ একক শাখাৰ প্ৰথম ৰাউণ্ডত আমেৰিকা যুক্তৰাষ্ট্ৰৰ পূৰ্বৰ চেম্পিয়ন ক'ক' গ'ফে আজি আজলা টমজানভিককক পৰাস্ত কৰে। ফ্ৰেন্স অ'পেনৰ বৰ্তমানৰ বিজেতা তথা এই প্ৰতিযোগিতাৰ তৃতীয় বাছনিৰ গ'ফে তেওঁৰ প্ৰতিদ্বন্দ্বীক ৬-৪, ৬-৭, ৭-৫ ছেটত পৰাস্ত কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। ইফালে, পুৰুষৰ শাখাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ টমি পলে এলমাৰ মোলাৰক ৬-৩, ৬-৩, ৬-১ পোনপটীয়া ছেটত পৰাস্ত কৰে। আন এখন খেলত আলেকজেণ্ডাৰ জেভেৰেভে এলেজেণ্ড্ৰ' টাবিলক ৬-২, ৭-৬, ৬-৪ পোনপটীয়া ছেটত পৰাস্ত কৰে। ০০০০০০০০০

ভাৰতৰ প্ৰাক্তন বেগী বলাৰ ৰবিচন্দ্ৰন অশ্বিনে আই পি এল খেলৰ পৰা অৱসৰ লোৱাৰ কথা ঘোষণা কৰিছে। সামাজিক মাধ্যমযোগে শ্ৰী অশ্বিনে কয়, যে তেওঁ এতিয়া বিশ্বৰ বিভিন্ন প্ৰান্তৰ লীগ পৰ্যায়ৰ খেলত অংশ ল'ব। আই পি এলৰ ইতিহাসত ২২১ খন খেলত অংশ লৈ ১৮৭ টা উইকেট লৈ আই পি এলৰ সৰ্বাধিক উইকেট লোৱাৰ তালিকাত চতুৰ্থ স্থান অধিকাৰ কৰিছে। ১৪ বছৰীয়া খেলুৱৈ জীৱনত তেওঁ চেন্নাই ছুপাৰ কিংছ, ৰাইজিং পুনে ছুপাৰ জায়েণ্ট্, পঞ্জাৱ কিংছ, দেলহী কেপিটেল্‌ছ আৰু ৰাজস্থান ৰয়েল্‌ছৰ হৈ খেলিছিল। ০০০০০০০০০

সমাপ্ত